# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-AUGUST-2026
**Time :** 5-15 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। কৃষি মন্ত্ৰী পিযুষ হাজৰিকাৰ জাগীৰোডত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ সহস্ৰাধিক হিতাধিকাৰীৰ সৈতে মত বিনিময়।

২। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মৰিগাওঁ জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ পৰ্যালোচনা।

৩। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত **খেলো ইণ্ডিয়া ডায়লগ– খেল কী বাত, পি এম কে সাথ** শীৰ্ষক কাৰ্যসূচীৰ আয়োজন। *আৰু*

৪। অসমৰ মায়ংক চক্ৰৱৰ্তী লৰাৰ এছিয়ান জুনিয়ৰ ডবা প্ৰতিযোগিতাৰ  লৰাৰ শাখাত খিতাপ দখল।

০০০০০

কৃষি মন্ত্ৰী পিযুষ হাজৰিকাই আজি জাগীৰোডত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ সহস্ৰাধিক হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে আৰু আঁচনিখনৰ সহায়ত তেওঁলোকে কিদৰে ব্যৱসায় বা ষ্টাৰ্টআপ প্ৰতিষ্ঠান গঢ়ি তুলিছে তাৰ পৰ্যালোচনা চলায়। কথোপকথন কালত মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰীসকলক পৰম্পৰাগত  ব্যৱসায়ৰ উপৰি কুকুৰা পালন, মীন পালন, গাহৰী পালন আৰু কৃষি আৰু উদ্যানশস্যৰ দৰে উৎপাদনশীল ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। যুৱ উদ্যোগীসকলক কৃষি আন্তঃগাথনি পুঁজি মাখনা খেতি আৰু অন্য সম্ভাৱনাময় কৃষি ভিত্তিক ক্ষেত্ৰসমূহৰ সুযোগ গ্ৰহণ কৰি উপাৰ্জন বৃদ্ধি কৰাৰ লগতে আত্মনিৰ্ভৰ অসমৰ যাত্ৰা অধিক শক্তিশালী কৰাৰ বাবে চেষ্টা চলাবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।  তেওঁ লগতে বহনক্ষম জীৱিকাৰ সৃষ্টি আৰু ৰাজ্যৰ গ্ৰামাঞ্চলৰ অৰ্থব্যৱস্থা সুদৃঢ়কৰণৰ ক্ষেত্ৰত উদ্যমশীলতা আৰু উৎপাদনমুখী বিনিয়োগত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ অৰ্থনৈতিক গতি ত্বৰান্বিত কৰাৰ স্বাৰ্থ প্ৰতিগৰাকী যুৱক-যুৱতীলৈ সহযোগিতা আগবঢ়াবলৈ চৰকাৰ বদ্ধপৰিকৰ।

**ৰাইট-পিযুষ**

০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মৰিগাওঁ জিলা প্ৰশাসনৰ  প্ৰস্তুতিৰ বুজ লয়। মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত জিলা আয়ুক্ত সৃষ্টি সিঙে নিৰ্বাচনী প্ৰস্তুতি আৰু ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোৱা ব্যৱস্থাৰ বিষয়ে শ্ৰীগোৱেলক অৱগত কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে পৰিবহন ব্যৱস্থা, ই ভি এমৰ ব্যৱহাৰ, নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন  কোষৰ কাম-কাজ আৰু সমন্বয়কে ধৰি গুৰুত্বপূৰ্ণ দিশসমূহৰ বুজ লয়। শ্ৰীগোৱেলে সংশ্লিষ্ট বিষয়াসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰিবলৈ আৰু নিৰ্বাচন আয়োগে জাৰি কৰা নীতি-নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত আৰু নিৰ্বাচনী বিষয়া উপস্থিত থাকে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে আসন্ন উপ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা দলীয় সদস্যসকলৰ পৰা ২৮ আগষ্টৰ ভিতৰত আবেদন বিচাৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা লোকসভাৰ বিৰোধী পক্ষৰ উপনেতা গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে ইতিমধ্যে দলৰ প্ৰাৰ্থী বাচনি প্ৰক্ৰিয়া আৰম্ভ হৈছে।

এ আই ইউ দি এফেও উপ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ বিষয়টো পুনৰ বিবেচনা কৰিছে। দলটোৱে পূৰ্বতে ৰেজাউল কৰিম সৰকাৰক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছিল যদিও দলটোৱে তেওঁৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা আছে। ইফালে বিজেপিৰ ৰাজ্যিক সভাপতি দিলিপ শইকীয়াই নগাওঁ লোকসভা সমষ্টিৰ উপ নিৰ্বাচনক জটিল আৰু প্ৰত্যাহ্বানমূলক বুলি অভিহিত কৰিছে। তেওঁ অৱশ্যে দলটোৱে নিৰ্বাচনত জয় লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

ooooo

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত আজি বজালীত এখন সজাগতা সভা অনুষ্ঠিত হয়। বজালীৰ ভালুকীত থকা মিলিজুলি বোৱা-কটা সমিতিৰ বাকৰিত অনুষ্ঠিত এই সভাত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনি সন্দৰ্ভত আলোচনা কৰাৰ লগতে ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন কাৰ্যসূচীৰ অধীনত নিৰ্বাচিত হিতাধিকাৰীসকলৰ মাজত উৎপাদক তাঁতশাল বিতৰণ কৰা হয়। সভাত হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ বিভিন্ন আঁচনি, সুবিধা আৰু হিতাধিকাৰীসকলে লাভ কৰিব পৰা চৰকাৰী সুবিধাসমূহৰ বিষয়ে অৱগত কৰা হয়। উল্লেখযোগ্য যে তাঁতী আৰু শিপিনীসকলক আধুনিক সা-সঁজুলি প্ৰদানৰ জৰিয়তে তেওঁলোকৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰি আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ লক্ষ্যৰে এই আঁচনি ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানত বজালী জিলা পৰিষদৰ অধ্যক্ষ, জিলা সভাপতি, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ সহকাৰী সঞ্চালকৰ লগতে কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

ooooo

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত **খেলো ইণ্ডিয়া ডায়লগ– খেল কী বাত, পি এম কে সাথ** শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। পৰহিলৈ গুৱাহাটীৰ অখিল ভাৰতীয় আয়ুৰবিজ্ঞান প্ৰতিষ্ঠান-এইমছত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। এইমছ গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক অশোক পুৰানীকে আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ যুৱক-যুৱতীসকলক ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

**বাইট (অশোক পুৰানীক)**

শ্ৰীপুৰানীকে কয়, যে যুৱ অংশগ্ৰহণকাৰীসকলে স্থানীয় খেলুৱৈসকলৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্য মন্ত্ৰী, ৰাজ্যিক যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী তথা সাংসদসকলৰ সৈতেও মত বিনিময় কৰাৰ সুযোগ লাভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণকাৰীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰ মাধ্যমৰে মত বিনিময় কৰিব বুলিও শ্ৰীপুৰানীকে জানিবলৈ দিয়ে।

ooooo

মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আজি ডিজিটেল শস্য সমীক্ষা ''খাৰিফ ২০২৬-২৭'' সন্দৰ্ভত জিলা পৰ্যায়ৰ এটা বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত ২০২৬-২৭ খাৰিফ বৰ্ষৰ ডিজিটেল শস্য সমীক্ষাৰ বাবে নিয়োজিত পৰ্যবেক্ষক, জৰীপকাৰী আৰু পৰীক্ষণকাৰী বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। সহকাৰী কৃষি সঞ্চালক আৰু জিলা ন'ডেল বিষয়াৰ উপস্থিতিত অনুষ্ঠিত এই প্ৰশিক্ষণত ডিজিটেল শস্য সমীক্ষাৰ উদ্দেশ্য, প্ৰয়োজনীয়তা আৰু সমীক্ষা সম্পন্ন কৰাৰ পদ্ধতি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই সমীক্ষাৰ জৰিয়তে কৃষক ৰাইজ কেনেদৰে উপকৃত হ'ব আৰু কৃষি খণ্ডৰ সঠিক তথ্য সংগ্ৰহৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব তথা সমীক্ষা প্ৰক্ৰিয়াৰ সফল ৰূপায়ণৰ বিভিন্ন দিশতো আলোকপাত কৰা হয়। অনুষ্ঠানত মহকুমা কৃষি বিষয়া, কৃষি তথ্য বিষয়া, কৃষি উন্নয়ন বিষয়াৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ধেমাজি জিলা সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি অনুসূচিত জাতি, জনজাতি, সজাগতা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ধেমাজি জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত অনুসূচিত জাতি, জনজাতিৰ অধিকাৰ, সজাগতা, সামাজিক সুৰক্ষা, কল্যাণ আৰু উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। সভাত পিছপৰা আৰু প্ৰান্তীয় লোকসকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ লগতে তেওঁলোকৰ বাবে থকা চৰকাৰী আঁচনি আৰু সুবিধাসমূহৰ সঠিক ৰূপায়ণৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। সভাত অংশগ্ৰহণ কৰি চিচিবৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জীৱন গগৈয়ে অনুসূচিত জাতি, জনজাতি লোকসকলৰ সামাজিক ন্যায়, সমতা আৰু সৰ্বাংগীণ উন্নয়নৰ বাবে প্ৰতিগৰাকী নাগৰিকৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিত কৰি এখন ন্যায়সংগত সমাজ গঢ়াৰ পোষকতা কৰে। বৈঠকত জিলা অতিৰিক্ত আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

অসমৰ মায়ংক চক্ৰৱৰ্তীয়ে মুম্বাইত অনুষ্ঠিত এছিয়ান ডবা প্ৰতিযোগিতাৰ ল'ৰাৰ শাখাৰ খিতাপ দখল কৰিছে। মায়ংকে আজি সামৰণি পৰা প্ৰতিযোগিতাৰ নৱম ৰাউণ্ডৰ অন্তত ৭ দশমিক ৫ পইণ্ট অৰ্জন কৰি খিতাপ হস্তগত কৰে। ইপিনে কৰ্ণাটকক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰীতিতি বৰদলৈ ছোৱালীৰ শাখাত বিজয় সন্মান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দুয়োগৰাকী খেলুৱৈক অভিনন্দন জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এছিয়াৰ এঘাৰখন দেশৰ প্ৰতিভাৱান খেলুৱৈৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমৰ খেলুৱৈৰ এনে প্ৰদৰ্শনে ৰাজ্যত ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ ইতিবাচক ছবি দাঙি ধৰিছে। তেওঁ কয়, যে ডবাৰ দৰে বুদ্ধিমত্তা, ধৈৰ্য্য, একাগ্ৰতা আৰু কৌশলৰ খেলত ৰাজ্যৰ যুৱ প্ৰতিভাই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ সামৰ্থ প্ৰমান কৰিবলৈ সমৰ্থ হোৱাটো সচাকৈ আশাব্যঞ্জক। মায়ংক আৰু প্ৰীতিতিৰ সাফল্যক ডবা খেলত অসমৰ ক্ৰমবধ

০০০০০

সমাপ্ত